অধ্যায় ৯ ঃ অসমত স্বায়ত্ব শাসন বিচাৰি চলা আন্দোলন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ অর্থ
৯.৩.১ স্বায়ত্ব শাসনৰ অর্থ
৯.৩.২ ষষ্ঠ অনুসূচীৰ অর্থ
৯.৪ বড়ো আন্দোলন
৯.৪.১ বড়ো আন্দোলনৰ পর্যায়সমূহ
৯.৫ কমতাপুৰ আন্দোলন
৯.৫.১ কমতাপুৰ আন্দোলনৰ দাবীসমূহ
৯.৬ কার্বি আন্দোলন
৯.৬.১ কার্বিসকলৰ মাজত নৃগোষ্ঠী পৰিচয়ৰ প্রশ্ন উদয় হোৱাৰ কাৰণ
৯.৬.২ কার্বি আংলঙত উত্থাপিত হোৱা স্বায়ত্ব শাসনৰ দাবী
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বায়ত্ব শাসন আৰু ষষ্ঠ অনুসূচীৰ অর্থ জানিব পাৰিব
- বড়ো, কোচ-ৰাজবংশী আৰু কার্বিসকলে স্বায়ত্ব শাসন তথা পৃথক ৰাজ্য বিচাৰি কৰা আন্দোলনবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

উত্তৰ-পূব ভাৰতৰ প্রায় আটাইকেইখন ৰাজ্য, বিশেষকৈ অসমে স্বায়ত্ব শাসনৰ সুযোগ বিচাৰি অথবা পৃথক ৰাজ্যৰ দাবীত চলা বহুকেইটা নৃগোষ্ঠীয় আন্দোলন প্রত্যক্ষ কৰিছে। ভাৰত স্বাধীন হোৱাৰ পাচৰ পৰাই অসমত এনে বহুকেইটা শান্তিপূর্ণ আৰু হিংসাত্মক আন্দোলন চলিছে। এনে আন্দোলনৰ ফলশ্রুতিতে বৃহত্তৰ অসমৰ আকাৰ সলনি হৈছে। বিভিন্ন সময়ত অসমক পুনৰ সংগঠিত কৰি কেইবাখনো নতুন ৰাজ্য গঠন কৰা হৈছে। এই অধ্যায়টিত আমি এই সকলোবোৰ বিষয় আলোচনা কৰিবলৈ লৈছো।

৯.৩ অর্থ

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ ভিতৰত অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ , মিজোৰাম, ত্ৰিপুৰা আৰু চিকিমত জনজাতি সম্প্ৰদায়ৰ আধিপত্য আছে। অসমত অঞ্চলভেদে পাহাৰীয়া আৰু ভৈয়ামৰ জনজাতিৰ আধিপত্য দেখা যায়। অঞ্চলটোৰ অধিকাংশ নৃগোষ্ঠীয় সম্প্ৰদায়েই নিজৰ সুকীয়া পৰিচয় আৰু অধিকাৰ সংৰক্ষিত ৰখাৰ স্বাৰ্থৰ আন্দোলন কৰি আহিছে। অধিকাংশ নৃগোষ্ঠীয় আন্দোলনৰে মূল কাৰণ হ'ল নিজস্ব পৰিচয় অক্ষুণ্ণ ৰখা আৰু বৃহত্তৰ গোট বা সম্প্ৰদায়বোৰৰ সৈতে চামিল ভৱন অথবা লীনভৱন ঘটাৰ আশংকা।

৯.৩.১ স্বায়ত্ব শাসনৰ অর্থ

স্বায়ত্ব শাসন মানে হ'লে নিজকে নিজে শাসন কৰা বা নিয়ন্ত্ৰণ কৰাৰ প্ৰক্ৰিয়া। স্বায়ত্ব শাসন বুজোৱা ইংৰাজী শব্দ (autonomy)ৰ মূল হ'ল এটা গ্ৰীক শব্দ- যিটোৰ অর্থ স্বতন্ত্ৰতা। সাম্প্ৰতিক সময়ত স্বায়ত্ব শাসনৰ ধাৰাই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। দৰ্শনৰ বিভিন্ন ক্ষেত্ৰত আলোচিত এটা প্ৰধান ধাৰণা হ'ল স্ব-নিয়ন্ত্ৰণ। নৈতিক দৰ্শন অনুসৰি বস্তুনিষ্ঠ নৈতিক আইনত নিজকে বিষয়নিষ্ঠৰূপত উপস্থাপন কৰাটোৱেই হ'ল স্ব-নিয়ন্ত্ৰণ।

ইমানুৱেল কাণ্টৰ ৰচনাৰাজি প্ৰকাশিত হোৱাৰ পাচৰে পৰাই স্ব-নিয়ন্ত্ৰণৰ অর্থ মানৱীয় মর্যাদাৰ প্ৰায় সমার্থক হৈ পৰিছে। ব্যক্তিৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰদৰ্শনৰ পোষকতা কৰা যিকোনো প্ৰণালীৰে এটা প্ৰধান প্ৰমূল্য হ'ল স্ব-নিয়ন্ত্ৰণ।

দার্শনিক লেইন কিং-এ তেওঁৰ গ্ৰন্থ '*How to Make Good Decisions and Be Right All the Time*' ত এটা 'স্ব-নিয়ন্ত্ৰণ নীতি' (Autonomy Principle) ৰ বিকাশ ঘটাইছিল। ইয়াৰ সংজ্ঞা দাঙি ধৰি কিং-এ কৈছিল যে "ব্যক্তিক নিজে পছন্দ কৰাৰ সুযোগ দিয়া উচিত। আমি যদি তেওঁলোকতকৈ বেছি ভালদৰে তেওঁলোকৰ আগ্ৰহৰ বিষয়ে জানোঁ, তেতিয়াহে তেওঁলোকৰ হৈ পছন্দ কৰিবলৈ আগবাঢ়ি যোৱা উচিত।"

৯.৩.২ ষষ্ঠ অনুসূচীৰ অর্থ

ভাৰতীয় সংবিধানে অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতি অধ্যুষিত এলেকাবোৰৰ প্ৰশাসনীয় কাম-কাজ সুচাৰুৰূপে চলাই নিবলৈ বিশেষ সুবিধা কিছুমান সন্নিৱিষ্ট কৰিছে। সংবিধানৰ দফা ২৪৪ আৰু ষষ্ঠ অনুসূচীত এই এলেকাবোৰক 'জনজাতিপ্ৰধান এলেকা' বুলি নামকৰণ কৰা হৈছে। ষষ্ঠ অনুসূচীৰ অধীনত সামৰি লোৱা অনুসূচিত এলেকাবোৰতকৈ এই জনজাতিপ্ৰধান এলেকাবোৰ কাৰিকৰীভাৱে পৃথক।

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰ হ'ল 'নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ ট্ৰাইবেল আৰু এক্সক্লুডেড এৰিয়াজ চাব- কমিটি' নামৰ সমিতিখনৰ দিহা-পৰামৰ্শ। অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত পৰিচালিত এই সমিতিখনক 'বৰদলৈ উপ-সমিতি' নামেৰেও জনা যায়। বৰদলৈ উপ-সমিতিয়ে উত্তৰ-পূব ভাৰতত সেই সময়ত প্ৰচলিত পাহাৰীয়া এলেকাবোৰৰ প্ৰশাসনীয় ব্যৱস্থাটো অধ্যয়ন কৰিছিল। এই অধ্যয়নৰ লক্ষ্য আছিল এনে এলেকাত প্ৰশাসনীয় কাম-কাজ আগবঢ়াই নিবলৈ একোটা স্বায়ত্ব-শাসিত অভিকৰণ গঠন কৰা।



অগ্ৰগতি নিৰীক্ষণ

'How to Make Good Decisions and Be Right All the Time' নামৰ গ্ৰন্থখনৰ লেখক কোন?

৯.৪ বড়ো আন্দোলন

বড়োসকল হ'ল অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰি থকা সৰ্ববৃহৎ জনগোষ্ঠী। বড়োসকলৰ সুকীয়া ইতিহাস আছে। তেওঁলোকৰ সমাজ-সাংস্কৃতিক অনুশীলনৰ আধাৰ হ'ল সহযোগিতাৰ মৌলিক নীতি, সামূহিক প্ৰয়াস, পাৰস্পৰিক বুজাপৰা, মৰম আৰু সন্মান আদি। বৃটিছৰ শাসনকালত আৰু মিছনেৰীসকলৰ আগমনৰ পাচত বড়ো সমাজখনত কিছুমান পৰিৱৰ্তন ঘটিছিল।

সমসাময়িক অসমৰ এটা অতি তাৎপৰ্যপূৰ্ণ তথা শক্তিশালী জনজাতিৰ আন্দোলন হ'ল বড়ো আন্দোলন। ঔপনিৱেশিক শাসন চলি থকা সময়তে এই আন্দোলনৰ বীজ অংকুৰিত হৈছিল। সময় বাগৰাৰ লগে লগে বিংশ শতিকাৰ অষ্টম দশকত ই এক সৰ্বাত্মক ৰাজনৈতিক, সাংস্কৃতিক আৰু উগ্ৰপন্থামূলক আন্দোলনৰ ৰূপ লৈছিল। বড়ো সম্প্ৰদায়ে লাভ কৰা সামাজিক বৈষম্য, বঞ্চনা আৰু অন্যায়ৰ অভিজ্ঞতাবোৰেই হ'ল এই আন্দোলনৰ উৎস। বড়োসকলে এই আন্দোলনৰ জৰিয়তে নিজৰ সমাজখনৰ উন্নয়ন আৰু নিজৰ সংস্কৃতি সংৰক্ষণৰ প্ৰয়াস চলাই আহিছে।

৯.৪.১ বড়ো আন্দোলনৰ পৰ্যায়সমূহ

আৰম্ভণিৰে পৰা এতিয়ালৈকে বড়ো আন্দোলনে কেইবাটাও ৰূপান্তৰকাৰী পৰ্যায় অতিক্ৰম কৰিছে। নিৰ্বাচন প্ৰক্ৰিয়াত অধিক অংশগ্ৰহণৰ দাবীৰ পৰা আৰম্ভ কৰি আন্দোলনটোৱে পৃথক ৰাজ্যৰো দাবী উত্থাপন কৰিছে। ইয়াতকৈও শেহতীয়া পৰ্যায়ত আন্দোলনকাৰীৰ এটা অংশই সশস্ত্ৰ বিদ্ৰোহীৰ দল গঠন কৰি সম্পূৰ্ণ বিচ্ছিন্নতাবাদী পন্থা গ্ৰহণ কৰিছে। স্বায়ত্ব শাসন বিচাৰি বড়ো সম্প্ৰদায়ে চলোৱা এই আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্য আছিল প্ৰচলিত সমাজ-ৰাজনৈতিক ব্যৱস্থাবোৰ সলনি কৰাৰ লগতে

সুকীয়া সংস্কৃতি, পৰম্পৰা আৰু উমৈহতীয়া জীৱন শৈলী অনুসৰণ কৰা সম্প্রদায়টোৰ সকলো লোকৰ প্রত্যাশাৰ বৈধ প্রকাশৰ মাত্রা বৃদ্ধি কৰা।

• **ৰাজনৈতিক সচেতনতা উন্মেষৰ পর্যায়** (১৯৩৩-১৯৫২)

এই পর্যায়ত বড়ো নেতৃত্বই বড়োলেণ্ডৰ ধাৰণাটো প্রচাৰ কৰিছিল। ৰাজনৈতিক স্বায়ত্ব শাসনৰ অধিকাৰে বড়োসকলৰ বঞ্চনাৰ ইতিহাস সলনি কৰিব বুলি অনুমান কৰি তেওঁলোকে এই ধাৰণাটোৰ পোষকতা কৰিছিল। বড়ো আন্দোলনৰ এই পর্যায়টো বড়ো ৰাজনৈতিক ব্যৱস্থাটোৱে আনুষ্ঠানিকভাৱে সংগঠিত ৰূপ গ্রহণ কৰিছিল। বড়োসকলে অনুভৱ কৰিছিল যে তেওঁলোকৰ স্বার্থ উত্থাপন কৰিব পৰাকৈ তেওঁলোকক এটা ৰাজনৈতিক দলৰ প্রয়োজন। ১৯৩৩ চনৰ পৰা ১৯৫২ চনলৈকে এই সময়ছোৱাক বড়োসকলৰ ৰাজনৈতিক সচেতনতা উন্মেষ ঘটাৰ পর্যায় বুলি ধৰা হয়। ৰাজনৈতিক ক্ষমতা বিচাৰি ১৯২৯ চনত গোৱালপাৰা জিলাৰ বড়ো সম্প্রদায় আৰু 'কছাৰী যুৱক সন্মিলন'-এ মিলি ভাৰতীয় বিধি-বিধান প্রণয়নকাৰী আয়োগ (Indian Statutory Commission) ৰ হাতত এখন স্মৰক পত্র প্রদান কৰিছিল। ১৯৩৩ চনত ৰূপনাথ ব্রহ্মৰ নেতৃত্বত সদৌ অসম ভৈয়াম জনজাতি লীগ (AAPTL) নামৰ ৰাজনৈতিক দলটো গঠন কৰা হৈছিল। দলৰ প্রধান উদ্দেশ্য আছিল অসমৰ জনজাতি লোকসকলৰ পৰিচয় আৰু স্বার্থ সুৰক্ষিত কৰা।

• **ভাষা আৰু লিপি সমস্যাই দেখা দিয়া পর্যায়** (১৯৫২-১৯৬৭)

১৯৫২ চনত বড়ো সাহিত্য সভাৰ গঠন হোৱাৰ লগে লগে শিক্ষিত বড়ো সমাজৰ মনত জাতীয়তাবাদী মনোভাৱৰ বিকাশ ঘটিল। ১৯৫৩ চনত সভাই বড়ো মাধ্যমৰ বিদ্যালয় খোলাৰ আহ্বান জনাই অসমৰ তদনীন্তন মুখ্যমন্ত্রী বিষ্ণুৰাম মেধিৰ হাতত এখন স্মাৰক পত্র প্রদান কৰিছিল। ১৯৬০ চনৰ অসমৰ চৰকাৰী বিধেয়ক দাখিল হোৱা বাবে ৰাজ্যখনৰ প্রভাৱশালী অসমীয়া সম্প্রদায়ে সৃষ্টি কৰিব পৰা ভাবুকিৰ বিৰুদ্ধে নিজৰ ভাষিক পৰিচয় অক্ষুণ্ণ ৰখাৰ স্বার্থত বড়োসকলে আন্দোলন আৰম্ভ কৰিছিল। এই পর্যায়ত আন্দোলনটোৱে সফলতা লাভ কৰিছিল। ১৯৬৩ চন পৰা অসমৰ বড়ো অধ্যুষিত এলেকাবোৰত থকা বিদ্যালয়ত বড়ো ভাষাত শিক্ষাদান আৰম্ভ হৈছিল।

• **ৰাজনৈতিক স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰা পর্যায়** (১৯৬৭-১৯৮৬)

ভাষিক পৰিচয় স্থাপনৰ উদ্দেশ্যে চলি থকা আন্দোলনৰ মাজতেই আন এক তাৎপর্যপূর্ণ ঘটনা সংঘটিত হ'ল। একে সময়তে বড়োসকলে স্বায়ত্ব শাসনৰ দাবীও উত্থাপন কৰিলে। কংগ্রেছ দলে জনজাতি লীগক দিয়া আশ্বাসৰ ভিত্তিত সঁচা অর্থত জনজাতিসকলৰ অধিকাৰ আৰু ভূমি সংৰক্ষণৰ কোনো লিখিত নীতি-নিয়ম গৃহিত হোৱা নাছিল। এইবোৰ কথাৰ বাবে একাংশ বড়ো লোকে আন্দোলনটোক এক নতুন দিশেৰে আগবঢ়াই নিলে। ১৯৬৭ চনৰ ২৭ ফেব্রুৱাৰীত জন্ম পালে অসমৰ ভৈয়াম

জনজাতি পৰিষদ (Plain Tribal Council of Assam/PTCA)। দলটোৰ লক্ষ্য আছিল বড়ো অধ্যুষিত এলেকাবোৰক 'উদয়াচল' নামৰ এটা কেন্দ্রীয় শাসিত প্রদেশত পৰিণত কৰা। ১৯৬৭ চনৰ ১৩ জানুৱাৰীত তদানীন্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে অসম পুনৰ সংগঠিত কৰাৰ প্রস্তুৱ দিয়াৰ পাচতেই একেটা বছৰৰে ১৫ ফেব্রুৱাৰীত নিখিল বড়ো ছাত্র সস্থা (ABSU)ৰ জন্ম হৈছিল। এই পর্যায়ত PTCA-ই বড়ো আন্দোলনৰ গুৰি ধৰিছিল আৰু ABSU -এ এই আন্দোলনলৈ সকলো প্রকাৰৰ সহায় আগবঢ়াইছিল।

- **পৃথক ৰাজ্যৰ দাবীত চলা আন্দোলনৰ পর্যায়** (১৯৮৭-১৯৯২)

১৯৮৭ চনৰ ABSU এ PTCA-ক কৰা সমর্থন প্রত্যাহাৰ কৰি বড়ো আন্দোলনৰ নেতৃত্ব দিয়াৰ ভাৰ বহন কৰিছিল। ১৯৮৭ চনৰ ২ মার্চৰ পৰা স্বর্গীয় উপেন্দ্র নাথ ব্রহ্মৰ নেতৃত্ব ABSU এ এক শক্তিশালী গণ আন্দোলনৰ সূত্রপাত কৰিছিল। এই আন্দোলনৰ সময়ছোৱত বড়োসকলে এলানি ৰাজনৈতিক দাবী উত্থাপন কৰিছিল। ইয়াৰে ভিতৰত সবাতোকৈ গুৰুত্বপূর্ণ দাবীটো আছিল বড়োলেণ্ড নামৰ এখন পৃথক ৰাজ্যৰ গঠন।

পৃথক ৰাজ্যৰ দাবী উত্থাপন হোৱাৰ পাচতেই বড়ো অধ্যুষিত এলেকাবোৰত সশস্ত্র বিদ্রোহীৰ দলৰ উত্থান ঘটিল। ১৯৮৬ চনৰ ৩ অক্টোবৰত আত্মপ্রকাশ কৰা প্রথমটো বড়ো উগ্রপন্থী সংগঠন আছিল বড়োলেণ্ড চিকিউৰিটি ফোর্চ (BSF)। এক পৃথক ৰাজ্যৰ দাবীটোৱে স্বায়ত্ব শাসন বিচাৰি চলি থকা আন্দোলনটোৰ প্রতিদ্বন্দ্বীৰূপে থিয় দিছিল। এই সময়ছোৱাৰ ঘটা ঘটনাৱলীৰ পৰিণাম হ'ল ১৯৯৩ চনৰ ২০ ফেব্রুৱাৰীত স্বাক্ষৰিত বড়ো চুক্তি। এই চুক্তিৰ পাচতেই বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদ (BAC) গঠন কৰা হৈছিল। কিন্তু (BAC)ৰ কোনো সাংবিধানিক বৈধতা নথকাৰ সুযোগ গ্রহণ কৰি অঞ্চলটোত সশস্ত্র বিদ্রোহীৰ কার্যকলাপ বৃদ্ধি পাইছিল। ইয়াৰ পাচত অমসৰ বড়ো অধ্যুষিত অঞ্চলবোৰ হিংসাত্মক কার্যকলাপৰ ঘাটি হৈ পৰিছিল।

- **চুক্তিৰ পৰৱর্তী পর্যায় আৰু ইয়াৰ ফলশ্রুতিত সৃষ্টি হোৱা বিচ্ছিন্নতাবাদী আন্দোলন** (১৯৯৩-২০০৩)—

১৯৯৩ চনৰ বড়ো চুক্তিয়ে বড়োসকলৰ প্রত্যাশা পূৰণত ব্যর্থতাৰ পৰিচয় দিছিল। বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদৰ অস্পষ্ট চাৰিসীমাক লৈ অসন্তুষ্ট বড়ো জনগণে বিশাল গণ আন্দোলন আৰম্ভ কৰিছিল। ১৯৯৪ চনৰ পৰা বড়োলেণ্ড চিকিউৰিটি ফোর্চে চৰম হিংসাত্মক পন্থা গ্রহণ কৰিছিল। ই অঞ্চলটোৰ সমস্যা গুৰুত্বৰ কৰি তুলিছিল আৰু বড়ো চুক্তিৰ মৌলিক উদ্দেশ্যবোৰ নিৰর্থ হৈ পৰিছিল। সশস্ত্র দলটোৱে অন্য নৃগোষ্ঠীয় লোকক অঞ্চলটোৰ পৰা আঁতৰোৱাৰ চেষ্টা চলোৱাৰ পাচত ১৯৯৩ চনৰ ছেপ্তেম্বৰ আৰু অক্টোবৰ মাহত বিভিন্ন স্থানত সাম্প্রদায়িক সংঘর্ষৰ সৃষ্টি হৈছিল। এই সংঘর্ষত বহু লোকৰ মৃত্যু

আৰু বহু লোক গৃহহাৰা হৈছিল। ইয়াৰ পাচতেই বড়োলেণ্ড চিকিউৰিটি ফোর্চে নেশ্যনেল ডেম'ক্রেটিক ফ্রণ্ট অৱ বড়োলেণ্ড (NDFB) নাম গ্রহণ কৰিছিল। ১৯৯৫ চনত (NDFB) ৰ ভিতৰত ঘটা আদর্শগত সংঘাতৰ ফল হিচাপে বড়োলেণ্ড লিবাৰেশ্যন টাইগার্ছ (B LT) নামৰ আন এটা সশস্ত্র সংগঠনে আত্মপ্রকাশ কৰিছিল। ইয়াৰ পাচৰ কিছু সময় দুয়োটা সংগঠনে নিজৰ মাজতে সংঘর্ষ আৰু হত্যাত লিপ্ত হৈ আছিল।

পর্যায়ক্রমে সশস্ত্র সংগঠন দুটাই চৰকাৰী সশস্ত্র বাহিনীৰ সৈতেও সংঘর্ষত লিপ্ত হৈছিল। ২০০৩ চনত B LT আৰু অসম চৰকাৰৰ মাজত দ্বিতীয়খন বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তিৰ চর্ত অনুসৰি B LT এ হিংসাৰ পথ পৰিহাৰ কৰিছিল। দ্বিতীয় বড়ো চুক্তিৰ পাচত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তর্গত সংশোধিত নীতি-নিয়মৰ অধীনত বড়োলেণ্ড টেৰিট'ৰিয়েল পৰিষদ (BTC) গঠন কৰা হৈছিল। এই পৰিষদৰ অধীনত চাৰিখন জিলা অন্তর্ভুক্ত কৰা হৈছিল- কোক্ৰাঝাৰ, বাক্সা, চিৰাং আৰু ওদালগুৰি। এই জিলা চাৰিখনক একেলগে বড়োলেণ্ড টেৰিট'ৰিয়েল অট'নোমাচ ডিষ্ট্রিক্চ্ (BTAD) বোলা হয়।

দাবী আৰু নেতৃত্বৰ পৰিৱর্তনৰ সৈতে বড়ো আন্দোলন বিভিন্ন জটিল পর্যায়ৰ মাজেদি পাৰ হৈছিল। এই আন্দোলনটোক সাংস্কৃতিক অধিকাৰ বিচাৰি চলা আন্দোলন, পৃথক ৰাজ্য বিচাৰি চলা আন্দোলন আৰু সশস্ত্র আন্দোলন- এই ভাগ তিনিটাত ভগাব পৰা যায়। স্বায়ত্ব শাসনৰ দাবীটো উত্থাপিত হোৱাৰ মূল কাৰণ আছিল নিজে নিজৰ স্বার্থৰ হকে সিদ্ধান্ত লোৱাৰ ইচ্ছা আৰু সম্পদ তথা পুঁজি বিতৰণৰ ক্ষেত্রত ৰাজ্য চৰকাৰে প্রদর্শন কৰা অৱহেলা। এই অৱহেলাই সম্প্রদায়টোক অর্থনৈতিক আৰু সামাজিক অনগ্রসৰতাৰ দিশে ঠেলি দিছিল।



অগ্রগতি নিৰীক্ষণ

BLT আৰু অসম চৰকাৰৰ মাজত কোন চনত চুক্তি স্বাক্ষৰিত হৈছিল?

৯.৫ কমতাপুৰ আন্দোলন

ৰূপ কুমাৰ বর্মনৰ মতে ৰাজবংশীসকলে নিজ পৰিচয় হেৰুওৱাৰ মূলতে আছিল ঔপনিৱেশিক পদানতকৰণ প্রক্রিয়াৰ অংশ। ১৮৭৪ চনত বৃটিছ ভাৰতীয় চৰকাৰখনে 'অসম' নাম দি এখন নতুন চীফ কমিশ্যনার্চ প্র'ভিন্স (মুখ্য আয়ুক্তৰ তদাৰকাধীন প্রদেশ) গঠন কৰিছিল। এই নতুন প্রদেশখনত ৰংপুৰ জিলা (গোৱালপাৰা)ৰ এটা অংশ আৰু কামৰূপ জিলাৰ এটা অংশ অন্তর্ভুক্ত কৰা হৈছিল। এই দুয়োটা অংশই এসময়ত কোচ ৰাজ্যৰ অন্তর্গত আছিল। এনে ধৰণৰ

ৰাজনৈতিক কৌশল আৰু ভূ-খণ্ডিতকৰণ প্ৰক্ৰিয়াই ৰাজবংশী সম্প্ৰদায়ৰ বাবে শেহতীয়া পৰিচয় সংকটৰ সৃষ্টি কৰিছে। বৃটিছ চৰকাৰে ৰাজবংশীসকলক কোচ বুলি চিহ্নিত কৰিছিল। চৰকাৰী লোকপিয়ল প্ৰতিবেদনত ৰাজবংশীসকলক নিম্ন শ্ৰেণীৰ জনজাতি অথবা নীহকূলীয়া বুলি ধৰি লোৱাৰ পাচতেই ৰাজবংশীসকলে আন্দোলন আৰম্ভ কৰিছিল। ১৮৯১ চনৰ লোকপিয়লৰ সময়তে ৰাজবংশীসকলে নিজকে কোচ নহয় ক্ষত্ৰিয় বংশৰ লোক বুলি দাবী কৰি আন্দোলনৰ সূত্ৰপাত কৰিছিল। তেওঁলোকে চৰকাৰক নিম্নলিখিত বিষয় দুটা মানি ল'বলৈ জোৰ দিছিল-

- ৰাজবংশীসকলক কোচসকলৰ পৰা পৃথক বুলি খতিয়ানভুক্ত কৰিব লাগে আৰু
- ৰাজবংশীসকলক ক্ষত্ৰিয় কুলৰ উত্তৰপুৰুষ বুলি স্বীকৃত দিব লাগে।

অসমৰ কোচ-ৰাজবংশী সম্প্ৰদায়ে আৰম্ভ কৰা স্বায়ত্ব শাসন বিচৰা আন্দোলনটোক কমতাপুৰ আন্দোলন নামেৰে জনা যায়। এই আন্দোলনৰ মূল যুক্তি অনুসৰি ৰাজবংশীসকল এই অঞ্চলটো (পুৰণি গোৱালপাৰা আৰু কামৰূপ জিলা)ৰ খিলঞ্জীয়া লোক। সেয়েহে এই অঞ্চলটোত কমতাপুৰী লোকৰহে প্ৰকৃত অধিকাৰ আছে। ঐতিহাসিকভাৱে অসমৰ কোচ-ৰাজবংশী সম্প্ৰদায়ৰ সমৃদ্ধ সংস্কৃতি, ভাষা, পৰম্পৰা আৰু সুকীয়া পৰিচয় আছে। কোচ ৰজাসকলৰ শাসনকালত তেওঁলোকৰ এই পৰিচয় বিকশিত হৈছিল। কিন্তু ভাৰতে স্বাধীনতা লাভৰ পাচত কোচ-ৰাজবংশীসকলৰ বাসভুমি অসম আৰু পশ্চিম বংগৰ মাজত ভগাই দিয়া হ'ল। এই বিভাজনৰ ফলত লাহে লাহে সম্প্ৰদায়টোৱে ইয়াৰ সুকীয়া সংস্কৃতি, ভাষা আৰু পৰিচয় হেৰুৱাই পেলালে। অসমত ৰৈ যোৱা কোচ-ৰাজবংশীসকল বৃহত্তৰ অসমীয়া সমাজত লীন হৈ গ'ল। একালৰ চহকী ৰাজবংশী সম্প্ৰদায়ৰ অৱস্থাই ভূমি- সংস্কাৰ নীতি বলবৎ হোৱাৰ পাছৰে পৰা শোচনীয় ৰূপ ল'লে। ভূমি সংস্কাৰ নীতিৰ লক্ষ্য আছিল গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰা। কিন্তু এই নীতিয়ে অসমৰ কোচ-ৰাজবংশী সম্প্ৰদায়ক অকণো উপকৃত নকৰিলে। ইয়াৰ পৰিৱৰ্তে তেওঁলোকৰ মাটি নতুন প্ৰব্ৰজনকাৰীক ব্যৱহাৰ কৰিবলৈ দিয়া হ'ল। এই নতুনকৈ প্ৰব্ৰজন কৰা লোকসকল আছিল বৰ্তমানৰ বাংলাদেশৰ অধীনস্থ কোচ অধ্যুষিত অঞ্চলৰ পৰা অহা বাঙালী হিন্দু আৰু মুছলমান লোক। সেয়েহে ক'ব পাৰি যে এই অঞ্চলটোৰ অনগ্ৰসৰতা আৰু অন্যান্য নৃগোষ্ঠীয় সমস্যাৰ আঁৰৰ প্ৰধান কাৰণ কেইটামান হ'ল মাটি হেৰুওৱা আৰু উপযুক্ত কৰ্মসংস্থাপনৰ অভাৱ। এইবোৰ কাৰণতে কমতাপুৰ আন্দোলনৰ সূত্ৰপাত হৈছিল। ১৯৯০ চনৰ দশকৰ মাজভাগৰ পৰা কোচ-ৰাজবংশীসকলে পৃথক কমতাপুৰ ৰাজ্যৰ দাবী কৰি আহিছে। ১৯৯৬ চনৰ ৭ জানুৱাৰীত সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সস্থা (AAKRSU) ৰ জন্ম হোৱাৰ লগে লগে এই আন্দোলনে এক নতুন গতি লাভ কৰিছে।

৯.৫.১ কমতাপুৰ আন্দোলনৰ দাবীসমূহ

বিংশ শতিকাৰ নৱম দশকৰ পৰাই পশ্চিম বংগ আৰু অসমৰ কোচ-ৰাজবংশীসকলে পৃথক কমতাপুৰ ৰাজ্যৰ দাবী উত্থাপন কৰি আহিছে যদিও ২০০৩ চনৰ ডিচেম্বৰ মাহত


ৰ'য়েল ভূটান আর্মিয়ে ভূটানৰ চাৰিসীমাৰ ভিতৰত অৱস্থিত কমতাপুৰ লিবাৰেশ্যন অর্গেনাইজেশ্যন (KLO) নামৰ উগ্রপন্থী সংগঠনটোৰ শিবিৰত আক্রমণ কৰাৰ পাচতহে দাবীটোৱে প্রচাৰ লাভ কৰিছে। ২০০৫ চনত কমতাপুৰ আন্দোলনে আন এক তাৎপর্যপূর্ণ মাত্রা লাভ কৰিছিল। সেই চনটোতে বৃহত্তৰ কোচবিহাৰ পীপলচ্ এচোছিয়েশ্যনে এখন পৃথক কোচবিহাৰ ৰাজ্যৰ দাবীত পশ্চিম বংগৰ বাওঁপন্থী চৰকাৰৰ বিৰুদ্ধে অনির্দিষ্ট কাললৈ আমৰণ অনশনত বহিছিল আৰু গণ প্রতিবাদ কার্যসূচী ৰূপায়ণ কৰিছিল।

কমতাপুৰ ৰাজৰ দাবীৰ পৰা এটা কথা বুজিব পৰা যায় যে জাতীয়তাবাদত আন বহুতো জাতীয়তাবাদী ভাবধাৰা অন্তর্নিহিত হৈ থাকে। কমতাপুৰ বিচাৰি প্রদর্শন কৰা জাতীয়তাবাদক প্রত্যাহ্বান হিচাপে গ্রহণ কৰিব পৰা নাযায়। কিন্তু এই জাতীয়তাবাদৰ অসমীয়া আৰু বাংলাসকলৰ দৰে প্রচলিত জাতীয়তাবাদৰ সৈতে সহাৱস্থানতহে প্রকৃত প্রত্যাহ্বান লুকাই থাকে। কমতাপুৰ আন্দোৱন কেৱল স্পষ্ট চাৰিসীমাৰ স্বীকৃতি বিচাৰি চলা আন্দোলন নহয়; ই আনকি অর্থনৈতিক উন্নয়নৰ দাবীত চলা আন্দোলনো নহয়। বর্তমানৰ কমতাপুৰ আন্দোলনে ভিন্ন সুৰত বিভিন্ন দাবী উত্থাপন কৰিবলৈ লৈছে। সাংস্কৃতিক দাবীয়ে স্বীকৃতি বিচাৰে, নৰম ৰাজনৈতিক দাবীয়ে ৰাজনৈতিক স্ব-নিয়ন্ত্রণৰ সুবিধা বিচাৰে, উগ্রবাদী ৰাজনৈতিক সংস্কৃতিয়ে হিংসাত্মক পন্থাৰে এই দাবীবোৰ পূৰণ কৰিব বিচাৰে। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে আন্দোলনটোৰ সৈতে ইমানবোৰ দিশ আৰু দাবী জড়িত থকা সত্বেও অসমৰ অধিকাংশ কোচ-ৰাজবংশী লোকেই কমতাপুৰ ৰাজ্যৰ দাবীত কম- বেছি পৰিমাণে এটা গণতান্ত্রিক পদ্ধতিৰ আন্দোলনেই কৰি আছে। সম্প্রদায়টোৰ দুটামান দাবী তলত উল্লেখ কৰা হ'ল-

- পশ্চিম বংগৰ কোচ বিহাৰ, দার্জিলিং, জলপাইগুড়ি, উত্তৰ দিনাজপুৰ, দক্ষিণ দিনাজপুৰ আৰু মালদা- এই ছখন জিলাৰ লগতে অসমৰ ধুৱৰী, কোক্ৰাঝাৰ, বঙাইগাওঁ, গোৱালপাৰা, বৰপেটা, নলবাৰী, কামৰূপ আৰু মৰিগাওঁ, দৰং, শোণিতপুৰ আৰু লখিমপুৰ জিলাক সামৰি এখন পৃথক কমতাপুৰ ৰাজ্য গঠন কৰাৰ দাবী। কোচ-ৰাজবংশীসকলৰ মতে বিভিন্ন কাৰণত এই জিলাকেইখন কোচ ৰাজ্যই হেৰুৱাবলগীয়া হৈছিল।
- ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত কমতাপুৰী অথবা কোচ-ৰাজবংশী ভাষাৰ অন্তর্ভুক্তি আৰু অসমৰ এটা চৰকাৰী ভাষা ৰূপে এই ভাষাক স্বীকৃতি প্রদানৰ দাবী।
- চৰকাৰী আৰু অন-চৰকাৰী উভয় খণ্ডতে নিয়োগৰ ক্ষেত্রত সামগ্রিক সংৰক্ষিত পদৰ .. কমতা পুৰী সকলৰ বাবে আছুতীয়াকৈ ৰখাৰ দাবী।
- শৈক্ষিক অনুষ্ঠান আৰু কাৰিকৰী শিক্ষানুষ্ঠানবোৰত ৰাজবংশী ছাত্র-ছাত্রীক উচ্চ শিক্ষা লাভ কৰিব পৰাকৈ আসন সংৰক্ষণৰ দাবী।
- পশ্চিম বংগ আৰু অসমৰ চৰকাৰে মাঘী পূর্ণিমাৰ দিনটো বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্মদিৱস উপলক্ষে ৰাজ্যিক বন্ধৰ দিন ঘোষণা কৰাৰ দাবী। লগতে শিলিগুড়িৰ পৰা

কোচবিহাৰলৈ ব্যাপ্ত ৰাষ্ট্ৰীয় ঘাইপথছোৱা কমতাপুৰৰ বীৰগৰাকীৰ নামেৰে নামকৰণ কৰাৰ দাবী।

- কোচ-ৰাজবংশী নেতৃবৃন্দই অবিভক্ত গোৱালপাৰা জিলাত এটা মহাৰাজ নৰনাৰায়ণ সাংস্কৃতিক পৰিসৰ তথা গৱেষণা কেন্দ্ৰ নিৰ্মাণ কৰাৰ দাবীও উত্থাপন কৰিছে। তেওঁলোকৰ যুক্তি অনুসৰি কোচ-ৰাজবংশীসকলৰ এক সমৃদ্ধ ভাষিক তথা সাংস্কৃতিক ঐতিহ্য আছে। কিন্তু চৰকাৰ আৰু নাগৰিক সমাজবোৰে এই ঐতিহ্যৰ পোষকতা কৰাৰ ক্ষেত্ৰত অনীহা প্ৰদৰ্শন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

কোচ ৰাজবংশীসকলে দাবী কৰা চাৰিখন জিলাৰ নাম উল্লেখ কৰক।

৯.৬ কাৰ্বি আন্দোলন

কাৰ্বিসকলক পূৰ্বতে 'মিকিৰ' নামেৰে জনা গৈছিল। অসমৰ কাৰ্বি আংলং জিলাত এই সম্প্ৰদায়ৰ সংখ্যাগৰিষ্ঠতা সৰ্বাধিক বাবে পাচত জিলাখনৰ নামো সম্প্ৰদায়টোৰ নামেৰে ৰখা হৈছিল। বড়ো আৰু মিচিং সম্প্ৰদায়ৰ পাচতেই অসমৰ সৰ্ববৃহৎ জনজাতি সম্প্ৰদায়টো হ'ল কাৰ্বি। নৃগোষ্ঠীয়ভাৱে কাৰ্বিসকল মংগোলয়ড জাতিৰ অংশ আৰু কাৰ্বি ভাষাটো তিব্বত-ধৰ্মীয় ভাষা পৰিয়ালৰ অংগ।

কাৰ্বি পাহাৰখনৰে ৰাজনৈতিক নাম হ'ল কাৰ্বি আংলং। এই জিলাখন বৰ্তমানেও অসমৰ অন্তৰ্ভুক্ত পাহাৰীয়া জিলা দুখনৰ এখন। অসমৰ আনখন পাহাৰীয়া জিলা হ'ল উত্তৰ কাছাৰ পাৰ্বত্য জিলা (নতুন নাম ডিমা হাচাও)। ১৯৫১ চনত যেতিয়া অসমৰ জিলাবোৰৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল তেতিয়া এই দুয়োখন জিলাকে একেলগে সংযুক্ত মিকিৰ আৰুউত্তৰ কাছাৰ পাৰ্বত্য জিলা বোলা হৈছিল। ১৯৫২ চনত কাৰ্বি আৰু ডিমাচা দুয়োটা সম্প্ৰদায়কেই স্বায়ত্ব শাসনৰ সুবিধা প্ৰদান কৰা হৈছিল। ইয়াৰ বাবে ভাৰতীয় সাংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত দুখন পৃথক জিলা পৰিষদ গঠন কৰা হৈছিল। বৰ্তমানৰ কাৰ্বি আংলং জিলাখন তেতিয়া মিকিৰ পাহাৰ নামৰ এটা উপ-সংমণ্ডল আছিল। ১৯৭১ চনত উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ পৰা এই অংশটো পৃথক কৰি ইয়াক মিকিৰ পাহাৰ জিলা নাম দিয়া হৈছিল। ১৯৭৬ চনতহে জিলাখনৰ পুনৰ নামকৰণ কৰি ইয়াৰ বৰ্তমান নাম কাৰ্বি আংলং ৰখা হৈছিল। ১৯৯৫ চনত কেন্দ্ৰীয় চৰকাৰে স্বায়ত্ব শাসিত জিলা পৰিষদখনক অধিক ক্ষমতা প্ৰদান কৰি ইয়াক কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিসদ (KAAC) লৈ উন্নীত কৰিছিল।

৯.৬.১ কার্বিসকলৰ মাজত নৃগোষ্ঠীয় পৰিচয়ৰ প্রশ্ন উদয় হোৱাৰ কাৰণ


ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতেই সেই সময়ৰ অবিভক্ত অসমৰ অন্য পাহাৰীয়া জাতি-জনগোষ্ঠীৰ মাজত নৃগোষ্ঠীয় পৰিচয়ৰ চিন্তা উদ্রেক হোৱাৰ সময়তেই কার্বিসকলেও এই প্রশ্নটো কৰিবলৈ লৈছিল। তেতিয়াই এচাম শিক্ষিত কার্বি লোকে 'কার্বি আদাৱবাৰ' নামৰ সংগঠনটোৰ জন্ম দিছিল। ১৯৪৬ চনত গঠিত এইটোৱেই হ'ল কার্বিসকলৰ প্রথমটো জাতীয় সংগঠন। সংগঠনটোৱে এই নৃগোষ্ঠীয় সম্প্রদায়টোৰ বাবে এখন পৃথক জিলা গঠনৰ দাবী উত্থাপন কৰিছিল। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত কার্বিসকলক বিধান সভালৈ প্রতিনিধি প্রেৰণ কৰাৰ সুযোগ দিয়া হৈছিল। কার্বি আদৱবাৰৰ প্রধান উদ্দেশ্য আছিল তেতিয়ালৈকে সিঁচৰতি হৈ থকা কার্বি বসতিপ্রধান এলেকাবোৰক এটা একক ৰাজনৈতিক সত্তাৰ অন্তর্গত কৰি জনগোষ্ঠীটোৰ সুকীয়া নৃগোষ্ঠীয় পৰিচয় সংৰক্ষণ কৰা। কার্বি আদৱবাৰৰ এই সংগঠিত আন্দোলনৰ ফলতেই ১৯৫১ চনত জনগোষ্ঠীটোৱে জিলাখন লাভ কৰিছিল। তাৰ পাচৰ বছৰ জিলাখনত এখন জিলা পৰিষদ গঠন কৰা হৈছিল। অসমৰ পাহাৰীয়া জাতি-জনগোষ্ঠীবোৰৰ মাজত হঠাতে নৃগোষ্ঠীয় পৰিচয়ৰ প্রশ্নটোৱে গুৰুত্ব লাভ কৰাৰ মূলতে আছিল অসম বিধানসভাই গৃহিত কৰা '১৯৬০ চনত চৰকাৰী ভাষা আইন'খন। নৃগোষ্ঠীসমূহে এই আইনখনে তেওঁলোকৰ সুকীয়া অস্তিত্বলৈ ভাবুকি কঢ়িয়াই আনিব বুলি বিবেচনা কৰিছিল।

৯.৬.২ কার্বি আংলঙত উত্থাপিত হোৱা স্বায়ত্ব শাসনৰ দাবী

নৃগোষ্ঠীয় পৰিচয়ৰ প্রশ্নটোৱেই হ'ল অবিভক্ত অসমৰ পাহাৰীয়া এলেকাবোৰৰ বাসিন্দাই স্বায়ত্ব শাসন বিচাৰি কৰা দাবীৰ আঁৰৰ কাৰণ। অসমৰ অন্য পাহাৰীয়া অঞ্চলবোৰৰ দৰে মিকিৰ পাহাৰতো (APHLC)-ৰ নেতৃত্বত পৃথক পাহাৰীয়া ৰাজ্যৰ দাবী উত্থাপিত হৈছিল আৰু সময় বাগৰাৰ লগে লগে এই দাবীয়ে শক্তিশালী ৰূপ ধাৰণ কৰিছিল। এই সময়ছোৱাত ডিফুৰ পৰা সেৱা আগবঢ়াই থকা জিলা পৰিষদখন সম্পূর্ণৰূপে কার্বি আদৱবাৰৰ নিয়ন্ত্রণাধীন আছিল। অৱশ্যে ইয়াৰ বহুদিনৰ পাচতহে, ১৯৬৫ চনত (APHLC)-ৰ মিকিৰ পাহাৰ জিলা গোটটো গঠন কৰা হৈছিল। ইয়াত কেইগৰাকীমান প্রভাৱশালী কার্বি নেতাই যোগদান কৰিছিল। তেওঁলোকৰ যোগদানে (APHLC)-এ জিলাখনত আনুষ্ঠানিকভাৱে আত্মপ্রকাশ কৰাৰ আগতেই কার্বিসকলে পৃথক ৰাজ্য বিচাৰি চলাই থকা আন্দোলনটোৱে এক বলিষ্ঠ ৰূপ গ্রহণ কৰিছিল। (APHLC)-গঠনৰ সময়ৱে পৰা ইয়াৰ সৈতে জড়িত হৈ থকা কেইগৰাকীমান প্রভাৱশালী কার্বি নেতা হ'ল ডেভিদ লং ইংতি, জন ইংতি কাথাৰ, মণিৰাম লেংনেহ্, ৰাইডাং ইংতি আদি। তেওঁলোক

আছিল কার্বি আদৰ্ৱাৰৰ প্ৰাক্তন নেতা। সেই সময়ত ৰাইডাং ইংতি আছিল মিকিৰ পাহাৰ জিলা পৰিষদৰ সদস্য। তেওঁ অঞ্চলটোত (APHLC)-ৰ বিকাশত সক্ৰিয় ভূমিকা পালন কৰিছিল। ১৯৬০ চনৰ নৱেম্বৰ মাহত তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক পৃথক পাহাৰীয়া ৰাজ্য গঠনৰ হেঁচা দিবলৈ যোৱা ১২ জনীয়া সঁজাতি দলটোত ৰাইডাং ইংতিও আছিল।

১৯৮৫ চনত প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অসম গণ পৰিষদ দলে ৰাজ্যখনত চৰকাৰ গঠন কৰাৰ পাচত কার্বি আংলঙৰ ৰাজনীতি পুনৰ নৃগোষ্ঠীয় পৰিচয়ৰ সংকটৰ প্ৰশ্নটোৱে নতুনকৈ গুৰুত্ব লাভ কৰিছিল। অসম গণ পৰিষদ চৰকাৰখনে সেই সময়ছোৱাত কিছুমান উগ্ৰ জাতীয়তাবাদী নীতি অনুসৰণ কৰিছিল। এই কথাটোৱে কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত বাস কৰি থকা জনজাতি লোকসকলৰ মনত সন্দেহৰ সৃষ্টি কৰিছিল। ১৯৮৬ চনত ৰাজ্য চৰকাৰে অসমীয়া ভাষাটোক বাধ্যতামূলক 'তৃতীয় ভাষা' বুলি গ্ৰহণ কৰিছিল। চৰকাৰে সকলো চৰকাৰী সেৱাত নিয়োগৰ ক্ষেত্ৰত অসমীয়া ভাষাটোৰ জ্ঞান বাধ্যতামূলক কৰি এটা নতুন ভাষা নীতি বলবৎ কৰিছিল। চৰকাৰৰ এই দুটা নীতিয়ে ৰাজ্যখনৰ নৃগোষ্ঠীয় সম্প্ৰদায়বোৰক অসন্তুষ্ট কৰিছিল আৰু তেতিয়াৰ পৰাই পাহাৰী জিলা দুখনত স্বায়ত্ব শাসনৰ দাবীটোৱে গুৰুতৰ ৰূপ লৈছিল। অগপ চৰকাৰৰ নীতিবোৰৰ বিৰুদ্ধে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ লোক, বয়োজ্যেষ্ঠ ৰাজনীতিক আৰু ছাত্ৰ নেতাই মাৰ বান্ধি থিয় দিছিল। এই পৃষ্ঠভূমিতেই কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ কংগ্ৰেছ দলৰ নেতাসকলে অঞ্চলটোত স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ আন্দোলনক গতিশীল ৰূপ দিয়াৰ সিদ্ধান্ত লৈছিল। সেইমর্মে ১৯৮৬ চনৰ ৬ মার্চত হাফলঙত এখন সভা বহিছিল। তাত দুয়োখন জিলাৰ নেতাসকলে মিলি 'কেন্দ্ৰীয় স্বায়ত্ব শাসিত ৰাজ্য দাবী সমিতি' নামৰ সংগঠন এটাৰ জন্ম দিছিল। সংগঠনটোৰ নেতাসকলে তাৎক্ষণিকভাৱে সিদ্ধান্ত লৈছিল যে তেওঁলোকে কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাক সামৰি এখন স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব।



অগ্ৰগতি নিৰীক্ষণ

কার্বিসকলক পূৰ্বতে কোনটো নামেৰে জনা গৈছিল?



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বায়ত্ব শাসনৰ অর্থ বুজোৱা ইংৰাজী প্ৰতিশব্দ 'Autonomy' ৰ মূল হ'ল এটা গ্ৰীক শব্দ যিটোৰ অর্থ হ'ল স্বতন্ত্ৰতা। স্বায়ত্ব শাসন মানে হ'ল নিজে নিজকে শাসন কৰাৰ প্ৰক্ৰিয়া।

- ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰ হ'ল নর্থ ইষ্ট ফ্রণ্টিয়াৰ ট্রাইবেল এণ্ড এক্সক্লুড্ডে এৰিয়াজ চাব-কমিটি'য়ে আগবঢ়োৱা দিহা পৰামর্শ। এই সমিটিখনক 'বৰদলৈ উপ-সমিতি' নামেৰেও জনা যায়
- স্বায়ত্ব শাসন বিচাৰি বড়ো সম্প্রদায়ে চলোৱা এই আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্য আছিল প্রচলিত সমাজ-ৰাজনৈতিক ব্যৱস্থাবোৰ সলনি কৰাৰ লগতে সুকীয়া সংস্কৃতি পৰম্পৰা আৰু উমৈহতীয়া জীৱন শৈলী অনুসৰণ কৰা সম্প্রদায়টোৰ সকলো লোকৰ প্রত্যাশাৰ বৈধ প্রকাশৰ মাত্রা বৃদ্ধি কৰা।
- কমতাপুৰ আন্দোলনৰ জৰিয়তে বৃটিছ চৰকাৰক দিয়া হেঁচাবোৰৰ ভিতৰত উল্লেখ্যযোগ্য আছিল-

  (ক) ৰাজবংশীসকলক কোচসকলৰ পৰা পৃথক কৰি খতিয়ানভুক্ত কৰা আৰু

  (খ) ৰাজবংশীসকলক ক্ষত্রিয় কুলৰ উত্তৰপুৰুষ বুলি স্বীকৃতি দিয়া।

৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

Dutta P.S. (ed 1993) Autonomy Movements in Assam, vol-1, Cosmos publications; New Delhi.

George S. Jacob (1989) The Demand for Autonomy/ Statehood in N.C. Hills and Karbi Anglong: An Overview in B.C. Bhuyan (ed.) "Political Development in the North East"; New Delhi.

Rao MSA (2002) Social Movements in India, Manohar Publishers and distributiors; New Delhi.

Shah Ghanashyam (1990) Social Movements in India, Sage publications; New Delhi.

Sengupta Sarthak (ed.2002) Tribal Studies in North East India, Mittal publications; New Delhi.

৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লেইম কিং।

২ নং প্রশ্নৰ উত্তৰ ঃ ২০০৩ চনত।

৩ নং প্রশ্নৰ উত্তৰ ঃ কোচ বিহাৰ, মালদা, ধুবুৰী, দৰং।

৪ নং প্রশ্নৰ উত্তৰ ঃ কার্বিসকলক পূর্বতে 'মিকিৰ' নামেৰে জনা গৈছিল।



৯.১০ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন ঃ (উত্তৰসমূহ ১৪০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ- স্বায়ত্ব শাসন আৰু ষষ্ঠ অনুসূচী বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ- বড়ো আন্দোলনৰ পর্যায়বোৰ চমুকৈ আলোচনা কৰক।

(খ) চমু প্রশ্ন ঃ (উত্তৰসমূহ ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ- কমতাপুৰ আন্দোলনৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন নং ২ ঃ- কার্বি আন্দোলনৰ জৰিয়তে সম্প্রদায়টোৱে কৰা দাবীসমূহ সমালোচনামূলক দৃষ্টিভংগীৰে পৰীক্ষা কৰক।

****